“সিহঁত হৈছে এনেকুৱা এটা জাতি, সিহঁতৰ মাজৰ কোনোবা এজন পূণ্যৱান বান্দা অথবা পূণ্যৱান ব্যক্তি মৃত্যুবৰণ কৰিলে সিহঁতে তেওঁৰ কবৰৰ ওপৰত মছজিদ (ইবাদতৰ স্থান) নির্মাণ কৰিছিল

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, উম্মু ছালামাহ ৰাদ্বিয়াল্লাহু আনহাই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি হাবাশ্বাত
দেখা ‘মাৰিয়া’ নামক এটা গীর্জাৰ কথা বৰ্ণনা কৰিলে আৰু তাত তেওঁ যিবোৰ ছবি দেখা
পাইছিল সেইবোৰৰ কথাও উল্লেখ কৰিলে। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে
ক’লে, “সিহঁত হৈছে এনেকুৱা এটা জাতি, সিহঁতৰ মাজৰ কোনোবা এজন পূণ্যৱান বান্দা অথবা পূণ্যৱান ব্যক্তি মৃত্যুবৰণ কৰিলে সিহঁতে তেওঁৰ কবৰৰ ওপৰত মছজিদ (ইবাদতৰ স্থান) নির্মাণ কৰিছিল আৰু তাত এনেকুৱা চিত্ৰ অংকন কৰিছিল। আল্লাহৰ দৃষ্টিত সিহঁতেই হৈছে নিকৃষ্টতম সৃষ্টি”।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

উম্মুল মুমিনীন উম্মে ছালামা ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত বৰ্ণনা কৰিছে যে, তেওঁ যেতিয়া হাবাশ্বাত (আবিচিনিয়াত) আছিল, তেতিয়া তেওঁ মাৰিয়া নামক এটা গীৰ্জা ঘৰ দেখিছিল, য'ত বিভিন্ন ধৰণৰ প্ৰতিচ্ছবি, সাজ-সজ্জা আৰু চিত্ৰ আদি আছিল। সেইবোৰ দেখি তেওঁ আচৰিত হৈছিল। এইবোৰ শুনাৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে এইবোৰ চিত্ৰ ৰখাৰ কাৰণ বৰ্ণনা কৰিলে, তেখেতে ক'লেঃ তুমি যিবোৰ লোকৰ কথা কৈছা, সিহঁত হৈছে এনেকুৱা লোক, যিসকলৰ মাজৰ কোনো পূণ্যৱান লোক মৃত্যুবৰণ কৰিলে সিহঁতে তেওঁৰ কবৰৰ ওপৰত মছজিদ নিৰ্মাণ কৰে আৰু তাত ইবাদত কৰে, আৰু তেওঁৰ চিত্ৰ অংকন কৰি ওলমাই ৰাখে। লগতে তেখেতে এই কথাও স্পষ্ট কৰিছে যে, এনেকুৱা আচৰণ কৰা ব্যক্তিসকল হৈছে আল্লাহৰ দৃষ্টিত আটাইতকৈ নিকৃষ্ট লোক। কাৰণ এনেকুৱা কৰ্মই মানুহক আল্লাহৰ সৈতে শ্বিৰ্ক কৰাৰ পথ দেখুৱায়।

http://www.sunnah.global/hadeeth/as/show/10887